জ্যোতিপ্ৰসাদ অতিশয় মুগ্ধ হ'ল আৰু ক'লে—'বিশ্বাস, আপোনাৰ এইটো অদ্বিতীয়। ইয়াৰ বিষয়বস্তু, ফৰ্ম, শব্দ প্ৰয়োগ, সুৰ সকলো অতি সুন্দৰ হৈছে। এই গীতৰ মাজেদি দেশৰ স্বাধীনতাৰ আচল স্বৰূপ উন্মোচিত হ'ব। আপুনি মোৰ সমস্ত মনৰ কথাকে ইয়াত প্ৰকাশ কৰিছে। দেশৰ অনেক লোকগীতৰ সুৰ ব্যৱহাৰ কৰি সৃষ্টি কৰা ব্যংগ গীতটো কালজয়ী হ'ব। মই ভাবোঁ আপোনাৰ আনবোৰ গীততকৈও এই গীতে অধিক জনপ্ৰিয়তা লাভ কৰিব।"

জ্যোতিপ্ৰসাদৰ পৰা ইমান উচ্চ প্ৰশংসা পাব বুলি হেমাংগই ভবাই নাছিল। এক সুখানুভূতিয়ে হেমাংগৰ দেহ-মন পুলকিত কৰি তুলিলে। 'কাস্তেটাৰে' লিখাৰ পাছতো হেমাংগ হয়তো ইমান বেছি ৰোমাঞ্চিত হোৱা নাছিল। গভীৰ প্ৰশান্তি লৈ সেইদিনা জ্যোতিপ্ৰসাদৰ পৰা বিদায় লৈ ঘূৰি আহিল।

ছেপ্টেম্বৰ মাহ। শ্বিলঙত পাতলকৈ শীত নামিছে। এনে সময়তে গণনাট্য সংঘৰ আঞ্চলিক সভাত উপস্থিত থাকিবলৈ হেমাংগ শ্বিলং এৰি কলিকতালৈ আহিবলগীয়া হ'ল। অহাৰ আগেয়ে হেমাংগই জ্যোতিপ্ৰসাদলৈ এখন জৰুৰী চিঠি লিখি থৈ আহিল।

শ্ৰদ্ধাস্পদেষু,

আপোনাৰ চিঠি পালোঁ। কালি মই কোলকাতা IPTA zonal meeting attend কৰিবলৈ শ্বিলং এৰিম। আপুনাৰ তালৈ IPTA circular বিলাক H. Quarterৰ পৰা আহে নেকি নাজানো। ইয়াৰ লগত দুটা circular পাব। লগতে এটা questionnaire পাব। আপুনি গিৰীশ শৰ্মাক মাতি আনি তাৰ হাতত গতাই দিব। Zonal meeting 1st, 2nd, 3rd October ত পতা হৈছে। ইয়াৰ আগেয়ে আপুনাৰ statement এটা আমাক লাগে। অত্যন্ত জৰুৰী। নীচৰ ঠিকানাত মোৰ তালৈ আপনি পঠাব।

Calcutta IPTA
87, Cornwallis st.
C/o Bangiya Kolalaya
Calcutta.

গিৰীশ শৰ্মাক ক'ব মোৰ লগত consult কৰি ডিব্ৰুগড়ৰ ৰিপোৰ্ট (লগত দিয়া questionnaire অনুসৰি) কোলকাতাৰ মোৰ ঠিকনালৈ পঠিয়াই দিয়ে যেন।

আশা কৰি আপনি এতিয়া ভাল পাইছে।

মোৰ শ্ৰদ্ধা আৰু মৰম ল'ব।

আপনাৰ
বিশ্বাস

ইয়াৰ...আপনাৰ নামত Illusion & Reality V.P.P.ত পাব।

শ্বিলঙৰ পৰা গোপনে আহি হেমাংগই কলিকতাৰ আত্মীয় এঘৰত আশ্ৰয় ল'লেহি। তাত দুদিনমান থকাৰ পাছত পাৰ্ক চাৰ্কাছৰ ট্ৰাম শ্ৰমিকসকলৰ এটা মেছলৈ আহিল। কিন্তু সেইদিনাই হেমাংগৰ সন্ধান পাই আত্মীয়ৰ ঘৰখনত পুলিছে তালাচী চলালে। দুৰ্ভাগ্যক্ৰমে হেমাংগৰ পৰিৱৰ্তে হিমেন্দুকে পাই পুলিছে গ্ৰেপ্তাৰ কৰি লৈ গ'ল।

খবৰটো শুনি হেমাংগৰ বেয়া লাগিল। নিজতকৈ প্ৰায় দহ বছৰমান সৰু ভায়েকটোৰ প্ৰতি হেমাংগৰ বেলেগ মৰমৰ টান আছিল। আজি তাৰ বাবেই ভায়েকটোৱে হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হ'ল। এটা দুখবোধে তাৰ মনটো সেমেকাই তুলিলে।

এতিয়া আৰু পাছলৈ চাই ৰোৱাৰ সময় নহয়। জীৱনে বহুদূৰ আগুৱাই আনিলে। সংঘৰ কামত হেমাংগ পুনৰ ব্যস্ত হৈ পৰিল। লগত আছিল বিনয় ৰায়। এদিন নিশা ট্ৰাম শ্ৰমিকসকলে হেমাংগৰ গান শুনিবলৈ বিচাৰিলে। হেমাংগই আৰম্ভ কৰিলে 'মাউণ্টব্যাটেন মংগলকাব্য।' গানটো শ্ৰমিকসকলে বিপুলভাৱে আদৰিলে। অৱশ্যে মূল ৰচনা আছিল বেছি দীঘল। বিনয় ৰায়ৰ কথামতেই অলপ চুটি কৰা হৈছিল। শেষাংশত কীৰ্তনৰ সুৰ ব্যৱহাৰৰ পৰামৰ্শটোও ৰায়েই দিলে। লাহে লাহে গানটো কৃষক-শ্ৰমিকৰ লগতে নগৰ-চহৰতো জনপ্ৰিয় হৈ পৰিল। চহৰত এই গানটো জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত যাৰ ভূমিকা সবাতোকৈ বেছি তেওঁ হ'ল দেবব্ৰত বিশ্বাস। ৰবীন্দ্ৰ সংগীতৰ বাবে বিশেষভাৱে জনপ্ৰিয় দেবব্ৰতক সকলোৱে জৰ্জদা বুলিয়েই চিনি পায়। জৰ্জদাই আনকি ৰবীন্দ্ৰ সংগীতৰ আসৰতো এই গীতটো গাই 'আসৰ' মুকলি কৰিবলৈ ধৰিলে।

সমগ্ৰ দেশতে 'মাউণ্টব্যাটেন মংগল কাব্য'ই ৰজনজনাই গ'ল। তেতিয়া সৰ্বভাৰতীয় ৰে'ল শ্ৰমিক ধৰ্মঘটৰ প্ৰস্তুতি চলিছে। কলিকতাৰ বিগ্ৰেড পেৰেড গ্ৰাউণ্ডত এটা বিশাল সমাৱেশৰ আৰম্ভণিত হেমাংগই গীতটো পৰিৱেশন কৰিব। শ্ৰোতাসকলৰ মাতত প্ৰচণ্ড আলোড়ন সৃষ্টি হ'ল। দীঘলীয়া গীতটো হেমাংগই গাইছে। জাউৰিয়ে জাউৰিয়ে হাত চাপৰি। গীত শেষ হোৱাৰ আগতেই আহি এজন শ্ৰমিক নেতাই হেমাংগৰ কাণৰ ওচৰত ফুচফুচাই ক'বলগীয়া হ'ল—"সোনকালে শেষ কৰক, মিটিং আৰম্ভ কৰিব লাগিব।"

নানান অভিজ্ঞতা। নৰতম গীতটোৱে হেমাংগক জনপ্ৰিয়তাৰ উচ্চ শিখৰলৈ লৈ গ'ল। কিন্তু গান হেমাংগই নিজৰ বাবে গোৱা নাই। গাইছে সংগ্ৰামৰ স্বাৰ্থত, জনতাক সংগঠিত কৰাৰ স্বাৰ্থত। আচলতে হেমাংগই নিজকে কেতিয়াও স্ৰষ্টা বুলি ভবা নাই। নতুন একো সৃষ্টি কৰা নাই। লোকসমাজৰ পৰাই সকলো বুটলি আনিছে। প্ৰকৃত স্ৰষ্টা হ'ল অগণন মানুহ, সি কেৱল সংগ্ৰাহকৰ ভূমিকাহে পালন কৰিছে। যি সুৰ এদিন সাধাৰণ মানুহেই সৃষ্টি কৰিছিল সেই সুৰকে এতিয়া সংগ্ৰামী জনতাই আদৰিছে।

চীনদেশতো জনতাই সাম্যবাদী চৰকাৰক আদৰিছে। মাওৰ নেতৃত্বত জনগণৰ চৰকাৰ প্ৰতিষ্ঠা হৈছে। সমগ্ৰ বিশ্বৰ মেহনতী জনতাৰ বাবেই আনন্দৰ খবৰ। চীনৰ পৰিৱৰ্তনে হেমাংগক উৎফুল্লিত কৰি তুলিলে। নতুন উদ্যম লৈ হেমাংগ কলিকতাৰ পৰা অসম পালেহি। ফেব্ৰুৱাৰি মাহত গণনাট্য সংঘৰ ষষ্ঠ অধিৱেশন এলাহাবাদত অনুষ্ঠিত হোৱাৰ কথা। অধিৱেশনৰ প্ৰস্তুতিৰ বাবে বিভিন্ন ঠাইৰ কৰ্মীৰ সৈতে বিস্তৃত আলোচনা কৰাৰ কথা সি চিন্তা কৰিলে। কলিকতাতো সংস্কৃতি আন্দোলনৰ নেতাসকলৰ সৈতে হেমাংগই আলোচনা কৰিছিল। কিন্তু আটাইতকৈ বেদনাদায়ক আছিল বিনয় ৰায়ৰ ভূমিকা। এলাহাবাদ অধিৱেশনত তেওঁ উপস্থিত থাকিব নোৱাৰিব বুলি জনালে। অন্য ঠাইলৈ হেনো যাবলগীয়া আছে। ক'লৈ যাব সেয়া অৱশ্যে কোৱা নাছিল। মাত্ৰ কৈছিল কথাটো অতি গোপনীয়। ইমান গুৰুত্বপূৰ্ণ অধিৱেশনত ৰায় উপস্থিত নথকাৰ কথাটো হেমাংগই সহজভাৱে ল'ব নোৱাৰিলে। অসমত এইবোৰ সমস্যাই দেখা দিয়া নাই। আচল সমস্যা হৈছে জ্যোতিপ্ৰসাদৰ স্বাস্থ্যক লৈহে। তেওঁৰ সুবিধাৰ বাবেই সংঘৰ কাৰ্যালয় ডিব্ৰুগড়লৈ স্থানান্তৰ কৰিবলগীয়া হ'ল। জ্যোতিপ্ৰসাদৰ লগত অধিৱেশনত দাখিল কৰিবলগীয়া প্ৰস্তাৱ সম্পৰ্কে আলোচনা কৰিবলৈ হেমাংগ ডিব্ৰুগড়লৈ আহিল। কৃষক-মজুৰ আৰু নিম্ন মধ্যবিত্তৰ নয়া-গণতন্ত্ৰ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ সৈতে খোজ মিলাই সংস্কৃতিক আগুৱাই নিয়াৰ বিষয়টো হেমাংগই দাঙি ধৰিলে। হেমাংগৰ ওপৰত জ্যোতিপ্ৰসাদৰ আস্থা ক্ৰমাৎ বাঢ়ি আহিছিল। সেয়ে প্ৰস্তাৱত অনুমোদন লোৱাত বিশেষ অসুবিধা নহ'ল। অধিৱেশনতো নতুন লাইনৰ মূল প্ৰস্তাৱৰ প্ৰস্তাৱক হেমাংগই হ'বলগীয়া হ'ল। অসুস্থতাৰ বাবে শেষ মুহূৰ্তত জ্যোতিপ্ৰসাদ অধিৱেশনত উপস্থিত থাকিব নোৱৰাৰ কাৰণে চিঠিৰেই দুঃখিত বুলি জনালে।

এলাহাবাদ অধিৱেশন ভালদৰেই চলিল। সাত দিন ধৰি সাংস্কৃতিক অনুষ্ঠানৰ গীত-মাত, নাট্যাদি পৰিৱেশন হ'ল। প্ৰযোজনাও আছিল অসাধাৰণ। ওমৰ শেখে গাইছিল—"হাম ক্যা জানে, কি ভাৰতমে আয়া হ্যায় স্বৰাজ/আজভি হাম, ভুখা নাংগা হ্যায়, আজ ভি হ্যায় মহতাজ।" বলৰাজ সাহানীৰ 'যাদু কা খুশি'ৰ অভিনয়ো আছিল প্ৰাণস্পৰ্শী। অনিল ঘোষৰ 'নয়ানপুৰ' নাটক হৈছিল চমৎকাৰ।